BIKALI COLLEGE LIBRARY

*Total number of pages – 8*

CODE : 34T MASS

# 2024

## ASSAMESE

(MODERN INDIAN LANGUAGE)

(NEW COURSE)

Full Marks : 100

Pass Marks : 30

Time : Three hours

*The figures in the margin indicate full marks for the questions.*

| | | |
|---|---|---|
| *Q. No. 1 carries 1 mark each* | 1×7 = | 7 |
| *Q. No. 2 carries 2 marks each* | 2×7 = | 14 |
| *Q. No. 3 carries 4 marks each* | 4×1 = | 4 |
| *Q. No. 4 carries 5 marks each* | 5×2 = | 10 |
| *Q. No. 5 carries 1 mark each* | 1×5 = | 5 |
| *Q. No. 6 carries 2 marks each* | 2×5 = | 10 |
| *Q. No. 7 carries 4 marks each* | 4×1 = | 4 |
| *Q. No. 8 carries 6 marks each* | 6×1 = | 6 |
| *Q. No. 9 carries 1 mark each* | 1×2 = | 2 |
| *Q. No. 10 carries 2 marks each* | 2×2 = | 4 |
| *Q. No. 11 carries 4 marks each* | 4×1 = | 4 |
| *Q. No. 12 carries 3 marks each* | 3×2 = | 6 |
| *Q. No. 13 carries 1 mark each* | 1×6 = | 6 |
| *Q. No. 14 carries 2 marks each* | 2×4 = | 8 |
| *Q. No. 15 carries 10 marks each* | 10×1 = | 10 |
| | Total = | 100 |

*Contd.*

BIKALI COLLEGE LIBRARY

১। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৭=৭

(ক) 'মোৰ মাতৃমুখ দৰ্শন' পাঠটিত উল্লেখ থকা বি. এন. আৰ. মানে কি?

(খ) 'ওমৰ তীৰ্থ' কোনখন পুথিৰ ভাবানুবাদ?

(গ) আনন্দৰাম বৰুৱাই কলিকতাৰ কোন কলেজৰপৰা আইনৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল?

(ঘ) 'গজেন্দ্ৰচিন্তামণি' কি ভাষাত লিখিত পুথি?

(ঙ) তৈত্তিৰীয় উপনিষদৰ প্ৰথম উপদেশ কি?

(চ) 'চিঠি' গল্পটি শীলভদ্ৰৰ কোনখন সংকলনৰপৰা লোৱা হৈছে?

(ছ) ব্ৰজেন বৰুৱাই বিদেশী কাহিনী এটাৰ ভেটিত নিৰ্মাণ কৰা হাস্যৰসাত্মক ছবিখনৰ নাম লিখাঁ।

(জ) বৰ্তমান যুগটো কিহৰ যুগ?

(ঝ) বসন্ত ৰোগ কোনগৰাকী দেৱীৰ ৰোষত হোৱা বুলি মানুহে বিশ্বাস কৰিছিল?

২। তলৰ *যিকোনো সাতোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৭=১৪

(ক) 'মাতৃমুখ দৰ্শন' শব্দ দুটাৰ জৰিয়তে লক্ষ্মীনাথ বেজবৰুৱাই প্ৰকৃতাৰ্থত কোনগৰাকী মাতৃৰ মুখ দৰ্শন কৰাৰ কথা কৈছে? কোন ঠাইৰ পৰা তেওঁ মাতৃমুখ দৰ্শন কৰিবলৈ আহিছিল?

(খ) যতীন্দ্ৰ নাথ দুৱৰাই কোন দুখন দেশৰ লেখকৰ ৰচনাৰ আলমত কথা-কবিতা ৰচনা কৰিছিল?

(গ) আনন্দৰাম বৰুৱাই কিয় চিৰকুমাৰ ব্ৰত অৱলম্বন কৰিছিল?

(ঘ) অসমীয়া হাতেলিখা দুখন সচিত্ৰ পুথিৰ নাম লিখাঁ।

(ঙ) প্ৰকৃত 'বৈৰাগী' কোন?

(চ) শীলভদ্ৰৰ গল্পৰ *দুটি* বৈশিষ্ট্য লিখাঁ।

BIKALI COLLEGE LIBRARY

(ছ) খাচি লোককথাৰ ভেটিত ভূপেন হাজৰিকাই নির্মাণ কৰা ছবিখনৰ নাম কি? কোন চনত ছবিখনে মুক্তি লাভ কৰিছিল?

(জ) আজিৰ বিজ্ঞানী এজনে পর্যবেক্ষণৰ বাবে ব্যৱহাৰ কৰা *দুবিধ* যন্ত্ৰৰ নাম পাঠত দিয়া অনুসৰি লিখাঁ।

৩। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "পথে নাৰী বিবৰ্জিতা নহয়, সম্পূজিতাহে।"

(খ) "অন্নং ন নিন্দ্যাৎ, অন্ন বহুকুৰ্ৱীত তদ্ব্ৰতম্।"

(গ) "অসমীয়া চলচ্চিত্ৰৰ আৰম্ভণি আৰু বিকাশ হৈছিল ব্যক্তিগত প্ৰচেষ্টাত।"

৪। *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ৫×২=১০

(ক) "যথা নিযুক্তোহস্মি তথা কৰোমি।"
লক্ষ্মীনাথ বেজবৰুৱাই এই পদটি ক'ত, কিয় অৱতাৰণা কৰিছিল চমুকৈ লিখাঁ।

(খ) কথা-কবিতাৰ সংজ্ঞা দি বিশেষত্বসমূহ লিখাঁ।

(গ) চাৰি আশ্ৰম বুলিলে কি বুজা?

(ঘ) বৈজ্ঞানিক মানসিকতাই সমাজৰ প্ৰগতিত কেনেদৰে অৰিহণা আগবঢ়ায়?

৫। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×৫=৫

(ক) মাধৱদেৱৰ বৰগীতৰ প্ৰধান বৈশিষ্ট্য কি?

(খ) অসমীয়া ভাষাত ছুফী সাধকসকলৰ ভাৱধাৰা প্ৰথম কোনগৰাকী কবিৰ কবিতাত প্ৰকাশ পায়?

BIKALI COLLEGE LIBRARY

(গ) নিয়বৰ মালা গাঁথি লৈ সোণালী সাজেৰে কোন আহে বুলি কবিয়ে কৈছে?

(ঘ) আলোকলে' উঠি আহি কোনে বেলিমুৰা হৈ হাঁহে?

(ঙ) 'কাঠমিস্ত্রীৰ ঘৰ' কবিতাটি কবিৰ কোনখন সংকলনৰপৰা লোৱা হৈছে?

(চ) 'মোক তোল আঘোণ' পংক্তিটিৰ অৰ্থ কি?

(ছ) 'উভতি নহাৰ কবিতা' কোন শ্ৰেণীৰ কবিতা?

৬। তলৰ *যিকোনো পাঁচোটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×৫=১০

(ক) তোমাৰ পাঠ্যৰ বৰগীতটিৰ কেৱল ধ্ৰুৱ অংশটি লিখাঁ।

(খ) কোন চনত আৰু কোন ঠাইত মফিজুদ্দিন আহমদ হাজৰিকাই জন্মগ্ৰহণ কৰিছিল?

(গ) নলিনীবালা দেৱীৰ স্বদেশপ্ৰেমৰ সুৰ প্ৰৱাহিত হোৱা *দুখন* কাব্যগ্ৰন্থৰ নাম লিখাঁ।

(ঘ) পূজাৰ ১৬ বিধ উপকৰণৰ *যিকোনো চাৰিবিধ* উপকৰণৰ নাম উল্লেখ কৰাঁ।

(ঙ) 'কাঠমিস্ত্রীৰ ঘৰ' কবিতাটি প্ৰথম কোন সন্মিলনৰ কোনখন মুখপত্ৰত প্ৰকাশ পাইছিল?

(চ) 'আঘোণৰ কুঁৱলী' কবিতাটিত বৌদেউক উদ্দেশ্যি কবিয়ে কি কথা কৈছিল?

(ছ) অৰ্থ লিখাঁ ঃ
ঝাণ্ডা, তামীঘৰা

৭। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ ঃ *(যিকোনো এফাঁকি)* ঃ ৪×১=৪

(ক) "মোৰ প্ৰাণধন সুচান্দ বয়ন
গাৰ চালি তেজ নিন্দ।
সব পুৰুষৰ শিৰৰ ভূষণ
তুমিসে বাপু গোবিন্দ।।"

BIKALI COLLEGE LIBRARY

(খ) "তেৱেঁ কাম তেৱেঁ কৰ্মী তেৱেঁ কাৰিকৰ
নিশ্চয় নিশ্চয় তেৱেঁ বিশ্ব খনিকৰ।।"

(গ) "মই নাহোঁ, মই নোৱাৰোঁ আহিব, নাহোঁ
হেৰাই যোৱাৰ বঙতেইচোন অকলে অকলে হাঁহোঁ
মই নাহোঁ মই নাহোঁ
পৃথিৱী, তোমাক ভাল পাই গ'লোঁ
তথাপিও মই নাহোঁ।"

৮। তলৰ *যিকোনো এটা* কবিতাৰ মূলভাৱ লিখাঁ ঃ ৬×১=৬

(ক) জনতাৰ আহ্বান

(খ) কাঠমিস্ত্ৰীৰ ঘৰ

(গ) আঘোণৰ কুঁৱলী

৯। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ কেৱল উত্তৰ লিখাঁ ঃ ১×২=২

(ক) নৈতিক শব্দটোৰ ইংৰাজী প্ৰতিশব্দ কি?

(খ) মহৰ্ষি টলষ্টয়ৰ মতে সৌন্দৰ্যবোধ কি?

(গ) বয়ঃসন্ধি কাল বুলি কোনছোৱা কালক কোৱা হয়?

(ঘ) 'প্ৰতীতি' শব্দৰ অৰ্থ লিখাঁ।

১০। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ লিখাঁ ঃ ২×২=৪

(ক) আদৰ্শবাদী দাৰ্শনিকসকলৰ মতে চিৰন্তন মূল্যবোধ তিনিটা কি কি? ইয়াৰ পৰিৱৰ্তন হয়নে?

(খ) নৈতিক স্বতন্ত্ৰতা বুলিলে কি বুজা?

BIKALI COLLEGE LIBRARY

(গ) কৈশোৰ কালৰ বাবে প্ৰস্তুত কৰা মাধ্যমিক স্তৰৰ পাঠ্যক্ৰমত থকা চাৰিটা প্ৰাথমিক আৰু মৌলিক বিষয় কি কি?

(ঘ) আন্তঃৰাষ্ট্ৰীয় শিক্ষা আয়োগ কোন চনত গঠিত হৈছিল? এই আয়োগে মাধ্যমিক শিক্ষাক কি বুলি অভিহিত কৰিছে?

১১। প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ: *(যিকোনো এছোৱা)* ৪×১=৪

(ক) "ভাৰতীয় দৰ্শন হৈছে মূল্যবোধৰ দৰ্শন।"

(খ) "কিশোৰ-কিশোৰীৰ মনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল পৰিচিতিৰ সংঘাত।"

(গ) "আজিৰ যুগ বিশ্বায়নৰ যুগ, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জয়যাত্ৰাৰ যুগ।"

১২। চমুকৈ লিখাঁ: *(যিকোনো দুটা)* ৩×২=৬

(ক) ধাতুৰ পিছত যোগ হোৱা প্ৰত্যয়ক কি প্ৰত্যয় বোলে? *চাৰিটা* উদাহৰণ ভাঙি দেখুওৱা।

(খ) বিভক্তি কাক বোলে? বিভক্তিৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা।

(গ) মানৱ শৰীৰৰ অংগ বুজোৱা *তিনিটা* ভিন্ন জতুৱা ঠাঁচৰ প্ৰয়োগ লিখাঁ।

১৩। তলৰ *যিকোনো ছটা* শব্দত যোগ হোৱা প্ৰত্যয়বোৰ ভাঙি কি প্ৰত্যয় যোগ হৈছে লিখাঁ: ১×৬=৬

পনীয়া, সমজুৱা, গল্পকাৰ, খাৰৰীয়া, লেখাৰু, সাহিয়াল, গুৰিয়াল, জোনাকী, পঢ়ুৱৈ

১৪। তলত দিয়া জতুৱা-ঠাঁচবোৰৰ অৰ্থ লিখি একোটাকৈ বাক্য-ৰচনা কৰাঁ: *(যিকোনো চাৰিটা)* ২×৪=৮

কথা চহকী, গা গধুৰ, ঘৰ গোনা, চকুৰ মণি, ঢৌতে খৰ মৰা, দাঁতে-ওঁঠে নলগা, মাটিৰ মানুহ, যাউতিযুগীয়া

BIKALI COLLEGE LIBRARY

১৫। তলৰ *যিকোনো এটি* বিষয় লৈ এখন ৰচনা লিখাঁ ঃ ১০×১=১০

(ক) মাতৃভাষা শিক্ষণৰ প্ৰয়োজনীয়তা

(আৰম্ভণি — মাতৃভাষা শিক্ষাৰ প্ৰয়োজনীয়তা — মাতৃভাষা মাধ্যমত শিক্ষাগ্ৰহণৰ ইতিবাচক দিশ — মাতৃভাষা আৰু স্বদেশপ্ৰেম — বিদ্যাৰ্থী হিচাপে মাতৃভাষাৰ প্ৰতি তোমাৰ কৰণীয় — সামৰণি।)

(খ) অসমৰ প্ৰাকৃতিক সম্পদ

(আৰম্ভণি — প্ৰাকৃতিক সম্পদৰ শ্ৰেণীবিভাগ — ৰাজ্যৰ অৰ্থনৈতিক দিশ সবল কৰাত প্ৰাকৃতিক সম্পদৰ ভূমিকা — প্ৰাকৃতিক সম্পদৰ ৰক্ষণাবেক্ষণৰ উপায় — সামৰণি।)

(গ) অসমৰ পৰিৱহণ ব্যৱস্থা

(আৰম্ভণি — অসমৰ পৰিৱহণ ব্যৱস্থাৰ প্ৰকাৰ — অসমৰ জল আৰু স্থল পৰিৱহণৰ সাম্প্ৰতিক ৰূপ — পৰিৱহণ ব্যৱস্থাৰ মান উন্নীতকৰণত সচেতনতা — সামৰণি।)

(ঘ) গ্ৰন্থমেলা আৰু অসমীয়া গ্ৰন্থৰ ভৱিষ্যৎ

(আৰম্ভণি — গ্ৰন্থমেলা মানে কি? — লেখক সৃষ্টিত গ্ৰন্থমেলাৰ ভূমিকা — বিশ্বায়নৰ প্ৰভাৱত অসমীয়া গ্ৰন্থৰ ভৱিষ্যৎ — সামৰণি।)

(ঙ) দৈনন্দিন জীৱনত বিজ্ঞানৰ প্ৰভাৱ

(আৰম্ভণি — দৈনন্দিন জীৱন-যাত্ৰাত বিজ্ঞানৰ অৱদান — দৈনন্দিন জীৱনত বিজ্ঞানৰ উপকাৰিতা-অপকাৰিতা — সামৰণি।)

———×———